

# অপাপ জ্যোতি

# জৱাহৰ-জ্যোতি

## তৃতীয় খণ্ড

একবিংশ, ত্ৰয়োবিংশ, চতুৰ্বিংশ, একত্ৰিংশ,
দ্বিত্ৰিংশ, পঞ্চত্ৰিংশ
আৰু
ৰূপালী জয়ন্তী সংখ্যালৈ

সঙ্কলক
ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া
সহযোগী অধ্যাপক, অসমীয়া বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো



# প্ৰীতি আৰু শ্ৰদ্ধাৰে

## প্ৰতি,

শ্ৰীযুত ক্ষীৰোদ ঠাকুৰীয়া ।

অধ্যাপক অসমীয়া বিভাগ ।

বিজয়া ডেকা
তত্বাৱধায়িকা

দীপজ্যোতি বড়ো
সম্পাদক

# জৱাহৰজ্যোতি

## জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

একবিংশ সংখ্যা

**বছৰেকীয়া প্ৰকাশ**

১৯৯৮-'৯৯


*তত্ত্বাৱধায়িকা*
বিজয়া ডেকা

*সম্পাদক*
দীপজ্যোতি বড়ো

*সহঃ সম্পাদক*
হেমন্ত কুমাৰ ৰাভা

**জৱাহৰজ্যোতি ঃ** জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৮-৯৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ হৈ
শ্ৰীদীপজ্যোতি বড়ো আৰু শ্ৰীহেমন্ত ৰাভাৰ দ্বাৰা প্ৰকাশিত ।

## সম্পাদনা সমিতি ঃ

সভাপতি ঃ ড° ৰমাকান্ত বৰুৱা, অধ্যক্ষ
তত্ত্বাৱধায়িকা ঃ বিজয়া ডেকা

প্ৰবক্তা সদস্যবৃন্দ ঃ
শ্ৰীযুত দ্বিজেন দাস
শ্ৰীযুত উমেশ চন্দ্ৰ কৰ
শ্ৰীযুত অৱনীকুমাৰ দাস
শ্ৰীযুত ললিত চন্দ্ৰ ৰাভা

সম্পাদক ঃ দীপজ্যোতি বড়ো
সহঃ সম্পাদক ঃ হেমন্ত কুমাৰ ৰাভা

ছাত্ৰ সদস্য ঃ লোকপ্ৰিয় দাস , সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

বেটুপাত ঃ দেৱজিৎ ৰবা

স্কেচ্ ঃ ডেনিয়েল মাৰাক

অঙ্গসজ্জা ঃ তত্ত্বাৱধায়িকা আৰু সম্পাদকদ্বয়

আলোকচিত্ৰ ঃ ৰূপা ষ্টুডিঅ' , বকো

মুদ্ৰক ঃ অলিভিয়া প্ৰেছ, বকো , ফোন নং ৮২৪০৫

কৃতজ্ঞতা স্বীকাৰঃ [illegible]


# অশ্ৰু অঞ্জলি

যিসকল পূণ্যাত্মাই মানৱ জাতিৰ সেৱাত ব্ৰতী হৈ অকালতে আমাক এৰি গ'ল, দেশৰ অখণ্ডতাৰ বাবে যি সকল সেনানীয়ে কাৰ্গিল যুঁজত প্ৰাণাহুতি দিলে আৰু অনাহকতে সন্ত্ৰাসবাদীৰ আক্ৰমণত যিসকলে ইহ সংসাৰ ত্যাগ কৰিলে সেই সকল মহান আত্মালৈ শ্ৰদ্ধাঞ্জলি নিবেদিলোঁ।

লগতে

আমাৰ মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ দেৱল বড়ো অকালতে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুচি গ'ল, তেওঁৰ বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে অশ্ৰু অঞ্জলি যাচিলোঁ।

# সম্পাদকীয়



*The paper is silent*

নীৰৱ কাগজখনৰ ওপৰত কলম ধৰিলে আমাৰ চকুৰ আগত ভাহি উঠে সমাজখনৰ প্ৰতিচ্ছবি । এই ছবিখনত আমাৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক আৰু সাংস্কৃতিক জীৱনৰ প্ৰতিফলন ঘটে । আজিৰ বিশ্ব এখন Global Village-অত পৰিণত হৈছে । গোলকীকৰণৰ এই বিশ্বত ঘটি থকা প্ৰত্যেক ঘটনাই আমাক এদিন নিশ্চয় স্পৰ্শ কৰিব। বিশ্বৰ তুলাচনীত আমাৰ কৰ্মৰাজি বিশ্লেষণ কৰিবলৈ হ'লে আমি একবিংশ শতিকাৰ প্ৰত্যাহবান সমূহক আদৰিব লাগিব । কিন্তু গভীৰ ভাবে চাবলৈ গ'লে আমি এতিয়াও একবিংশ শতিকাৰ বহু পিছতেই আছো । বাস্তৱিকতে আমাৰ সমাজ ব্যৱস্থা, শিক্ষানীতি, আচাৰ ব্যৱহাৰ আদিয়ে শতিকাৰ চাহিদা পূৰণ কৰিব পৰা নাই । যাৰ ফলশ্ৰুতি বহন কৰিছে আজিৰ এই জৰাজীৰ্ণ সামাজিক অবয়বে । যিকোনো সমাজত সংস্কাৰ আনিবলৈ শিক্ষাৰ উপযুক্ত প্ৰয়োগ অতিশয় প্ৰয়োজনীয় । আজিৰ শিক্ষাবিদ তথা চিন্তাবিদ সকলে শিক্ষাক মানৱ সম্পদ বিকাশৰ আহিলা হিচাপে গণ্য কৰে । পৰিতাপৰ বিষয় এই যে আমাৰ শিক্ষা মানৱ সম্পদ গঢ়ি তুলিবলৈ সমৰ্থ হোৱা নাই । স্বৰাজোত্তৰ ভাৰতবৰ্ষই বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা ব্যৱহাৰ কৰি কিছুদূৰ আগবাঢ়ি গ'লেও সংস্কৃতিৰ মূলমন্ত্ৰ (য'ত আমাক আত্মসাত্ত্ব উপলব্ধি কৰাৰ সুযোগ দিয়া হৈছিল )ৰ পৰা আজি আমি বহু আঁতৰি গৈছো । এফালে বস্তুবাদী সুখ , সমৃদ্ধি, পাশ্চাত্য সংস্কৃতিৰ অন্ধানুকৰণ আনপিনে আধ্যাত্মিকতাৰ পৰা সম্পূৰ্ণ ৰূপে নিজক আঁতৰাই ৰখাৰ ফলত আমাৰ সমাজত যিবোৰ ব্যাধিয়ে দেখা দিছে , তাৰ ফলশ্ৰুতি হ'ল দুৰ্নীতি, ভ্ৰষ্টাচাৰ, সামাজিক দ্বন্দ য'ত মানবীয় প্ৰমূল্য ভূ-লুণ্ঠিত হৈছে । সমাজৰ সকলো শ্ৰেণী লোকৰ সচেতনতা তথা পৰ্যায়ক্ৰম বাস্তৱমুখী শিক্ষা ব্যৱস্থাইহে এই অৱস্থাৰ দূৰীকৰণত সহায় হ'ব পাৰে ।

**Value is man made (.)** । সেয়ে স্থান-কাল পাত্ৰ অনুসৰি সকলো বস্তুৰে মূল্য পৃথক হয় । সেয়া হ'লেও 'সময়' আৰু 'মূল্য'ৰ মাজত এটি নিবিড় সম্বন্ধ আছে । 'সময়ৰ শৰ' সময়মতে মাৰিব নোৱাৰিলে তাৰ মূল্য অৱনমিত হয় । গোলকীকৰণৰ যুগত আমি বিশ্ব দৰবাৰত নিজৰ চিনাকি অক্ষুণ্ণ ৰাখিবলৈ 'মানবীয় মূল্য' আৰু 'সময়'ৰ প্ৰতি সদা জাগ্ৰত প্ৰহৰী হোৱা দৰকাৰ । বৃহত্তৰ গণতান্ত্ৰিক দেশৰ নাগৰিক হিচাপে নিজৰ প্ৰতি, সমাজ তথা দেশৰ প্ৰতি আৰু বিশ্বৰ প্ৰতি আমাৰ যি কৰ্তব্য তাক আমি নতুনকৈ উপলব্ধি কৰা অতীৱ প্ৰয়োজন । তাৰ বাবে লাগে মাত্ৰ এটি সুস্থ পৰিবেশ । পৰিবেশ মানুহৰ সৃষ্টি, সমাজ মানুহে গঢ়ে আৰু শিক্ষাৰ দ্বাৰা নিজৰ আচৰণ সংশোধন কৰি মানুহে নিজৰ লগতে সমাজক বহুদূৰ আগুৱাই নিব পাৰে , বিশ্বৰ তুলাচনীত নিজকে তুলি দিব পাৰে । লাগে মাথোঁ নিষ্ঠা আৰু সততা ।


মৃত্যু জীৱনৰ অৱধাৰিত পৰিণতি । যি জীৱনে অভিনৱ অৰ্থ বিচাৰি পায় সেই জীৱনে মৃত্যুকো নেওচি যায় । দাৰ্শনিক , বিজ্ঞানী, আইনষ্টাইনেও কৈছিল - 'জীৱন ক্ষণস্থায়ী আৰু বিপদপূৰ্ণ হ'লেও নিজকে সমাজৰ নামত উৎসৰ্গা কৰিহে মাথোঁ মানুহে জীৱনৰ অৰ্থ বিচাৰি পাব পাৰে । ' যিবোৰ প্ৰমূল্যই মানৱ জীৱন অৰ্থপূৰ্ণ কৰি তোলে সেই বোৰ ব্যক্তিভেদে ভিন্ন হ'ব পাৰে । কিন্তু একেটি যোগসূত্ৰেৰে বন্ধা যিহেতু আমি একেই মানৱ জাতি, সৃষ্টিশীল সামাজিক জীৱনেই জীৱনক অৰ্থপূৰ্ণ কৰি তুলিব পাৰে । এই কথাকে সাৰোগত কৰি আহক আমি একবিংশ শতিকাৰ নাগৰিক বুলি নিজকে চিনাকি দিবলৈ আগবাঢ়ো। আহক মনত পেলাও জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ এই 'Deadly sins' কেইশাৰী লৈ -

*"Knowledge without character*
*Business without morality*
*Science without humanity"*

প্ৰবন্ধ

# শাস্ত্ৰীয় সঙ্গীতৰ প্ৰয়োজনীয়তা

মিচ্ লিপিকা ডেকা
স্নাতক ২য় বৰ্ষ (কলা শাখা)



বেদৰ উৎপত্তিৰ লগে লগেই সংগীতৰ উৎপত্তি। ইয়াৰ প্ৰমাণ সামবেদ। সাম শব্দৰ অৰ্থ গান। অৰ্থাৎ সামবেদৰ অধিকাংশ সুক্তকে পুৰণি কালত ঋষি মুনি সকলে সাম বা গান ৰূপে মুখে মুখে গাইছিল। পিছলৈ বেদ লিপিবদ্ধ হোৱাত এইবোৰ লিপিবদ্ধ হ'ল । সেই কালৰ পৰা আমাৰ দেশত সঙ্গীত চৰ্চা অতি পুৰণি কালৰ পৰা চলি আহিছে বুলি ক'ব পাৰি।

শাস্ত্ৰত কৈছে-" গীতম্ বাদ্যম্ নৃত্যম্ ত্ৰয়ম্ সঙ্গীতম্ উচ্যতে।" অৰ্থাৎ গীত, বাদ্য আৰু নৃত্য এই তিনিওটাকে একেলগে সংগীত বোলে । পুৰণি কালত শিৱই ভৰত মুনিক মৰ্ত্যলোকত সংগীত শিকাইছিল। ইয়াৰ আগতে এই বিদ্যা স্বৰ্গত গন্ধৰ্ব সকলৰ মাজত প্ৰচলিত আছিল। সেই বাবে ইয়াক গন্ধৰ্ব বিদ্যা বোলে । ভৰত মুনিয়ে ইয়াক মৰ্ত্যত প্ৰচাৰ ও প্ৰসাৰ কৰে। তেতিয়াৰে পৰা আমাৰ দেশত সংগীতৰ 'ফল্গু ধাৰা' বৈ আছে আৰু বৈ থাকিব।

পাছলৈ মোগল সকলে আমাৰ দেশত প্ৰভুত্ব বিস্তাৰ কৰাত আমাৰ সংগীতৰ লগত মুছলিম সংগীতৰ মধু মিলন হয়। যাৰ ফলস্বৰূপে সৃষ্টি হয় এক নতুন শাস্ত্ৰীয় ধাৰা। তানসেন, আমিৰ খুশ্ৰু আদিয়ে ইয়াত প্ৰচুৰ অৰিহণা যোগায়। বৰ্তমান প্ৰচলিত হৈ থকা ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ ধাৰাটো তাৰেই ফল।

শাস্ত্ৰীয় সংগীত হ'ল সংগীতৰ এক অবিচ্ছেদ্য অংগ। শাস্ত্ৰীয় সংগীতক বাদ দি সংগীতে কেতিয়াও পূৰ্ণতা লাভ কৰিব নোৱাৰে । এটা পইচাৰ দুই পিঠিৰ দৰে সংগীত আৰু শাস্ত্ৰীয় সংগীতৰ এবাব নোৱাৰা সম্পৰ্ক আছে। ব্যাকৰণ নোহোৱাকৈ যেনেদৰে ভাষা সম্পূৰ্ণ হ'ব নোৱাৰে ঠিক তেনেকৈ সংগীতৰ ক্ষেত্ৰতো শাস্ত্ৰীয় সংগীতৰ জ্ঞান জৰুৰী। শাস্ত্ৰীয় সংগীতে সংগীত জগতত ব্যাকৰণৰ ভূমিকা লয়। সংগীত সাধনা কৰা প্ৰতিজন ব্যক্তিৰে শাস্ত্ৰীয় সংগীতৰ জ্ঞান থকাটো নিতান্ত প্ৰয়োজনীয়। শাস্ত্ৰীয় সংগীতৰ জ্ঞান অবিহনে কোনো শিল্পীয়ে দক্ষ শিল্পী হ'ব নোৱাৰে। শাস্ত্ৰীয় সংগীতৰ স্বৰ সাধনা থাকিলে কণ্ঠ কেতিয়াও পৰি নাযায়। কিন্তু স্বৰ জ্ঞান আৰু সাধনা নাথাকিলে বয়স হোৱাৰ লগে লগে কণ্ঠ পৰি যোৱাৰ শঙ্কা থাকে। শাস্ত্ৰীয় সংগীতত স্বৰ, লয়, তাল আদিৰ ভূমিকা মন কৰিব লগীয়া। সংগীতত ৭টা শুদ্ধ স্বৰ আৰু ৫টা বিকৃত স্বৰ, মুঠ ১২টা স্বৰ মনা হয়। এইবোৰ হ'ল শুদ্ধ স্বৰ যথাক্ৰমে স্বড়জ, ঋষভ, গান্ধাৰ, মধ্যম , পঞ্চম, ধৈৱত আৰু নিষাদ। ইহঁতক আদি স্বৰেৰে যথাক্ৰমে সা, ৰে, গা, মা, পা, ধা, নি ৰূপে ব্যৱহাৰ কৰা হয়। ইয়াৰে আকৌ ৰে, গা, ধা, নি, স্বৰ কেইটাক কোমল আৰু মা স্বৰক তীব্ৰ কৰিলৈ সৰ্বমুঠ ১২টা স্বৰ সংগীতত প্ৰচলিত হৈ আহিছে। এই স্বৰসমূহৰ উৎপত্তিৰো আকৌ শাস্ত্ৰত শ্লোক দুটা আছে।

" ষড়জং ৰৌতি ময়ুৰাস্তু গাবে। নদন্তি ঋষভং । অজৌ ৰৌতি তু গান্ধাৰং ক্ৰৌঞ্চ ক্বনতি মধ্যমং কোকিলঃ পঞ্চমং ৰৌতি হয়ো হ্ৰেষতি ধৈৱতং নিষাদং কুঞ্জৰো ৰৌতি স্বৰানামেৰ নিৰ্ণয়ঃ।" এই শ্লোকটিৰ ভাবাৰ্থ হ'ল ময়ুৰৰ মাতৰ পৰা ষড়জ (সা) বৃষভৰ পৰা ঋষভ (ৰে) ছাগলীৰ মাতৰ পৰা গান্ধাৰ (গা) ক্ৰৌঞ্চৰ মাতৰ পৰা মধ্যম (মা) কুলিৰ মাতৰ পৰা পঞ্চম (পা) ঘোঁৰাৰ মাতৰ পৰা ধৈৱত (ধা) আৰু হাতীৰ মাতৰ পৰা নিষাদৰ (নি) উৎপত্তি হৈছে।

স্ত্ৰীয় সংগীতত স্বৰসমূহক আকৌ বিভিন্ন ভাগত ভগোৱা হৈছে। যেনে - বাদীস্বৰ, সম্বাদী স্বৰ, অনুবাদী স্বৰ, বিবাদী স্বৰ, বক্ৰস্বৰ, কণ স্বৰ আদি। স্বৰৰ ব্যৱহাৰৰ ওপৰতে একোটা ৰাগৰ স্বৰূপ ফুটি উঠে। উদাহৰণ স্বৰূপে আমি হামীৰ আৰু কেদাৰ ৰাগৰ কথা উল্লেখ কৰিব পাৰো।

কেদাৰ ৰাগ-

আৰোহণ - সা মা, মা পা, ধা পা, নি ধা সাঁ।

অৱৰোহণ - সাঁ নি ধা , পা মাঁ পা ধা পা , মা , গা মা ৰে সা ।

হামীৰ ৰাগ -

আৰোহণ - সা ৰে সা , গা মা ধা , নি ধা সাঁ ।

অৱৰোহণ - সাঁ নি ধা পা, মাঁ পা ধা পা , গা মা ৰে সা।

দুয়োটা ৰাগতে প্ৰায় একে স্বৰেই ব্যৱহাৰ হৈছে। কিন্তু আৰোহণ আৰু ন্যাস স্বৰৰ ক্ষেত্ৰত দুয়োটা ৰাগৰ পাৰ্থক্য ওলাই পৰে । কেদাৰ ৰাগৰ ৰাগৰূপ - মা গা মা ৰে সা। কিন্তু হামীৰ ৰাগৰ ৰাগৰূপ হৈছে - গা মা ৰে সা ।